সাবিত্ৰী শইকীয়া বৰুৱা

# সুহৃদ অনুপল

সাবিত্ৰী শইকীয়া বৰুৱা

‘ধ্বনি-বহ্নি হিয়াত থিতাপি
শ্ৰদ্ধাৰ জাতীয় কবি
৺বিনন্দ চন্দ্ৰ বৰুৱাৰ স্মৃতিত’

—ভতিজাবোৰাৰী

৬৩৬০/A

Collected Poems of SABITRY SAIKIA.

Published on 29.3.94. by Surojeet Baruah, R.G. Baruah College, Guwahati—25 and Printed at Bharat Press Santipur Guwahati-9.

Cover Design—Nayanjyoti Baruah.

© Sabitry Saikia.

Price—Rs 15·00.

সৃষ্টিৰ উৎসৱৰ অংশদাতা আৰু প্ৰেৰণাদাতা

পৰম পূজনীয় পিতৃ-মাতৃ

শ্ৰীযুত মদন মোহন শইকীয়া

শ্ৰীযুতা অবলা শইকীয়া

ডাঃ অতুল চন্দ্ৰ বৰুৱা

শ্ৰীযুতা পাৰ্বতী বৰুৱাৰ হাতত—

# আমাৰ দিনৰ গান গাবলৈ : সুহৃদ অনুপল

হঠাৎ যি হৈ যায় —যি জানো দৈৱাৎ ঘটি যোৱা? আমি কাকতালীয়বো সংযোগ বিচাৰো। বিচ্ছিন্ন যেন লগা ঘটনাবোৰৰ আঁত বিচাৰো। সম্পৰ্ক গঢ়িব খোজো তন্ময় মুহূৰ্ত একোটাৰ লগত—যি সুহৃদ অনুপল চৰাচৰ তমসাৰ মাজত দেখা পোহৰৰ ৰেখা। তাৰে আবেগত মই উতলা হব খোজো। কিন্তু মোৰ কাব্যপাঠৰ আনন্দ অথবা বিষাদ কাতৰ যন্ত্ৰণাক প্ৰকাশ কৰিব নাজানো। মোৰো ভাৱনাৰ ছবি আঁকিব নোৱাৰা যন্ত্ৰণাই বাৰে বাৰে মুখ ভেঙুচাই মোক সিয়ঁৰি আপোন বাটেৰে গুচি যায়। অন্য কবিৰ কবিতাত কোনো শব্দ অথবা শাৰীও মোৰ সংগী হ'ব খোজে। তাকো মই প্ৰকাশ কৰিব নাজানো কিন্তু ধাৰণ কৰো সিবোৰ যেন মোৰেই অব্যক্ত ভাৱ বা কল্পনাৰ ছবি প্ৰকাশ কৰিছে—অন্য এজনে অন্যজনৰ ভাৱ-ভংগিমাত। কবিয়ে কবিতাত সৃষ্টি কৰা সৌন্দৰ্য্য আৰু ৰসৰ আস্বাদ গ্ৰহণ কৰে ৰসজ্ঞ পাঠকে। কাব্যৰ সমালোচক ৰসজ্ঞ পাঠক। তেওঁ পাঠৰ আনন্দ নিজে লাভ কৰাৰ উপৰিও ৰসৰ মৌচাক খুলি অথবা কাব্যৰ পদুমৰ পাহি এটি এটিকৈ মেলি ধৰে। তেওঁৰ ব্যাখ্যাত আমি দেখা পাঠৰ পৰাই আমি নেদেখা সৌন্দৰ্য্যও ফুটি ওলায়। সেয়ে আমি পাঠক-সকলে সমালোচকসকলৰ মুখলৈ চাব লাগে পাঠোদ্ধাৰ বা ৰসৰ জ্ঞানৰ বিষয়ে সাধাৰণ জ্ঞান আহৰণৰ বাবে। পাঠৰ প্ৰসংগ সংগতিৰ কাৰণে। আমাৰ প্ৰচলিত পৰম্পৰাই শ্ৰেণীকোঠাতে আমাক কবি পৰিচিতি, আঠশাৰী মুখস্থ কৰা আৰু প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাৰ নিয়ম দিছে। আমি পাহৰি গৈ অতিব্যাখ্যাত নিমগ্ন হলে পাঠৰ অস্তিত্বই হেৰুৱাই নেপেলাম জানো?

সাবিত্ৰী শইকীয়া (বৰুৱা) সাম্প্ৰতিক অসমীয়া কাব্যত এগৰাকী পৰিচিত কবি। গাওঁ-চহৰৰ ভালেমান কাব্য পাঠৰ অনুষ্ঠানত তেওঁৰে সৈতে মই উপস্থিত হৈছিলো—দূৰদৰ্শনতো এবাৰ। আকাশবাণীৰ সাহিত্য চ'ৰা আৰু সাহিত্য-সংস্কৃতিৰ আলোচনা চক্ৰত অংশ গ্ৰহণ কৰাও তেওঁক দেখা পাইছো। অসমীয়া সাহিত্যৰ ভালেমান প্ৰখ্যাত আৰু অখ্যাত আলোচনী-কাকতত তেওঁৰ কবিতা (১৯৭৮ চনৰ পৰা) এতিয়ালৈ প্ৰকাশ পাইছে। সংকলনত অন্তৰ্ভুক্ত হৈছে আৰু অন্য ভাষাতো অনুবাদ হৈছে।

সেই হিচাপে তেওঁৰ কবিতাৰ ষোড়শী ৰূপটোকে 'সুহৃদ অনুপল'ত এই প্ৰথম সংকলিত কৰিবলৈ ওলাই মোৰ শুভেচ্ছামূলক আগকথা বিচাৰিছে। এইখিনিতে মই থমকি ৰৈছো। তেওঁ বিচৰা সময়ত তেওঁলৈ শুভেচ্ছা-পত্ৰ লেখিবলৈ ওলাই ভাবিছো তেওঁৰ কবিতা অকল তেওঁৰেই কবিতানে ? নহয় সেইবোৰ আমাৰ দিনৰ গান গাব খোজা প্ৰস্তুতি। অথবা এইবোৰ আমাৰ দিনৰ গান। ভালেকেইজন তৰুণ কবি আৰু তৰুণ কবিসকলৰ সামূহিক সংকলনত লেখাৰ দৰে তেওঁৰ কবিতাসমূহৰ বিষয়ে ব্যাখ্যা কৰিব নুখুজি যোৱা দুটা তিনিটা দশকৰ কেইটামান কথা পাঠকসকলৰ উদ্দেশ্য নিবেদন কৰিব খুজিছো। তিনিটা দশকৰ সাম্প্ৰতিক কবিতাৰ চৰিত্ৰৰ এটা ঘাই লক্ষণ হৈছে ফুল-তৰা-গান বা নৈসৰ্গিক দৃশ্যৰ সলনি জীৱন আৰু সমাজৰ সাধাৰণ কথাবোৰ কবিতাৰ ভিতৰলৈ প্ৰবেশ কৰোৱা। এই সূচনা হৈছিল ১৯৭০ চনত প্ৰকাশিত অসমীয়া কবিতাৰ গাত—কবিসকল আকাশত নাথাকে। সাবিত্ৰীৰ কবিতালৈ আহি গৈছে আমাৰ চহা জীৱনৰ গাৰ সুবাস। দোৱে পতি বাচত মেৰ খাইছে দীঘে বানিয়ে তেওঁৰ কবিতাৰ বোৱন। ভালেমান ক্ষুদ্ৰ আলোচনী আৰু কলেজ বিশ্ববিদ্যালয়ৰ গাৰপৰা আৰম্ভ কৰি গাঁৱৰ তিনি আলিৰ মূৰলৈকে ওলাইছিল দেৱালৰ কবিতা—প্ৰাচীৰ পত্ৰিকা। সমাজ জীৱনৰ গাত দেখা দিয়া অপৰিহাৰ্য্য শ্লোগান-সমূহ সাম্প্ৰতিক কবিতাত লোক জীৱনৰ ভাৱ-ভাষাৰে সংশ্লেষিত হৈ ঠন ধৰি উঠিছিল সাম্প্ৰতিক কবিতাৰ শৰীৰ আৰু মন। কবিতাৰ এই ৰসায়নৰ কথা আৰু তৰুণ কবিসকলৰ সামাজিক দায়বদ্ধতাৰ শ্লোগান গুচি অসমীয়া কবিতাৰ সমতল সোঁতটি প্ৰবাহিত হোৱাৰ মূল কথাকে অসমীয়া সাহিত্যৰ-বুৰঞ্জীৰ ষষ্ঠ খণ্ড আদিকে ধৰি পক্ষপাতদুষ্ট সমালোচকসকলে আলোচনা কৰা নাই। এই দুটা যুগৰ আন এটা উল্লেখযোগ্য ঐতিহাসিক ঘটনা হৈছে গোটেই অসম আৰু পূৰ্বাঞ্চলতে দৈনিক অনুষ্ঠিত কবি সন্মিলনসমূহ এতিয়া সমালোচকসকলৰ চকুত নপৰিলেও বাস্তৱ সত্য হৈছে হাজাৰ হাজাৰ তৰুণ তৰুণীয়ে কবিতা লেখিছে। কেইবাশও কবিতাৰ সংকলন ওলাইছে। বেছিভাগ কবিতাই বাৰু কবিতা নহয় বুলি ক'লে সমালোচকে। দুই এগৰাকী প্ৰতিষ্ঠিত কবিও শিয়ৰি উঠিল—কবিতাৰ দুৰ্গতি হ'ল বুলি। কিন্তু শিয়ৰি উঠা কবিগৰাকী দৰাচলতে শোভা পাইছে তেওঁলোকৰ মাজতহে। আৰু যে শ্ৰোতা আৰু দৰ্শকসকল আৰু শ্ৰেষ্ঠ কবিৰ পাঠক-সকলো তেওঁলোকেই।

তিনিটা দশকৰ দেৱালৰ কবিতা, ক্ষুদ্ৰ আলোচনী আৰু সভাই প্ৰতিষ্ঠিত কৰা নাইনে শ্ৰেষ্ঠ কবিসকলৰ সন্মান আৰু পুৰস্কাৰ ? কিন্তু অসমীয়া সাহিত্যৰ বুৰঞ্জী বা কবিতাৰ নিৰ্দেশ সময়েই সলনি কৰে। সময়ক সলনি কৰিবলৈ যাওঁতে আমি নিজেও সলনি হওঁ। সামাজিক মংগলবোধ অথবা মানবীয়বোধত উজ্বল সাবিত্ৰী শইকীয়াৰ কবিতাসমূহ পঢ়োতে আমি সেই দৃষ্টিৰে চাব লাগিব—কিদৰে আমি নিজৰ ছালচিঙি হতাশাৰ ঢোল কোবাওঁ, পটা পছোৱা পানীত কিদৰে নষ্ট হৈ যায় আমাৰ সুন্দৰ জীৱনৰ সপোন। আমি কিয় বাৰে বাৰে কবিতাৰ মাজলৈ টানি আনো বুঢ়ী আইৰ সাধুৰ কুকিৰ পৰা তেজীমলাক, কিম্বদন্তীৰ কমলা-কুঁৱৰীক, কনচেঙৰ কবচক। কিয় গাব লগা হৈছে—মানুহক 'অ মানুহ মানুহ দিয়া'! পৰ্য্যটকৰ দৃষ্টিৰেও যদি পাঠকে এবাৰ ভুৱনেশ্বৰীৰ শিখৰত উঠে—দেখা নাপাবনে স্তনহীন মাতৃ এগৰাকীৰ আটাহ, সেউজীয়া আঁচ-লৰ সলনি ভাহি অহা ৰঙা মুৱাৰ জ্বঁকা। আনকি 'তোমালে'ৰ ৰোমান্টিক শব্দ গাঁঠনিৰ ভাঁজত জিলিকি নুঠিবনে তাইৰ গাঁঠিয়ে গাঁঠিয়ে বিষ! সেই কাৰণে দুইতৰপীয়া ভাষাৰ ছালৰ তলত নীলা সিৰৰ সন্ধান। অনুজ আৰু অগ্ৰজলৈ তেওঁৰ আন্তৰিক সম্বোধন আত্মীয়তাৰ অভিনয়ত জীয়াই থকাৰ অৰ্ন্তজ্বলী যাত্ৰা।

তোমালোকৰ হ্যদসংবাদ গ্ৰহণ কৰি কঢ়িয়াইছো অহৰহ প্ৰান্তে প্ৰান্তে
মানুহৰ প্ৰাণময় বাৰ্তা
যাতনাৰ মন্থনত জীৱনৰ অমৃত কুম্ভ।

২৮।৩।৯৪ ইং

**অৱনী চক্ৰৱৰ্ত্তী**

## আমাৰ চেৰেক—

কবিতা লেখো কাৰ বাবে
জীৱনৰ বাবে নে নিজৰ বাবে
যি জীৱন দুৰ্দ্দশাগ্ৰস্থ প্ৰচলিত সমাজ ব্যৱস্থাত
পৰিবৰ্তনৰ আকুতি ভেটিত থামুচি সঁচা সংগ্ৰামবোধেৰে নে ছিন্নমূল কল্পনাৰে ?
নিজক জানো সময়ৰ অহৰ্নিশ আৱাহনৰ পৰা নিলগাব পাৰি ?

সুহৃদ অনুপল প্ৰথম প্ৰয়াস। বেছিভাগ কবিতাই প্ৰকাশিত। ভিন্ন অনুষ্ঠানত পঠিত!

আশীৰ দশকৰ পৰা শতিকাৰ শেষ দশকৰ আদি-ভাগলৈ' অসমৰ ভিন্ন সৰু-বৰ আলোচনী, বাৰ্ত্তালোচনীৰ জৰিয়তে কবিতা প্ৰকাশৰ সুযোগ পোৱা বাবে সেই সকলৰ ওচৰত চিৰকৃতজ্ঞ।

কবিতাৰ ক্ষেত্ৰখনত আগুৱাত সাৰথি হোৱা অগ্ৰজ অনুজ আৰু শুভাকাংখীৰ ভিতৰত শ্ৰীঅনন্ত শৰ্মা, ৺মোহন তামুলী, শংকৰ শইকীয়া, ধনঞ্জয় শৰ্মা, ফিৰোজা, ধন, সোণ, বিজু, কনিকা, ৰুবীক পাহৰিব কোনোকালেই নোৱাৰিম।

কবিতাবোৰ অৱনীদাই চোৱাৰ উপৰিও আলোচনাটিৰ বাবে থকা তেখেতৰ আগ্ৰহ আৰু পৰিশ্ৰমৰ ওচৰত মই চিৰঋণী।

শিল্পী নয়ন ভাইটিলৈ' আন্তৰিক শলাগ জনালো।

ভাৰত প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীপবিত্ৰ জীৱন বৰুৱা প্ৰমূখ্যে প্ৰেছৰ কৰ্মী-বৃন্দৰ উপৰিও বান্ধবী বীণা আৰু গৌতম দেলৈ আন্তৰিক ধন্যবাদ থাকিল।

বহাগী বতৰত পাঠক অনুৰাগীয়ে হাততে পোৱাকৈ 'সুহৃদ অনুপল'ক আগবঢ়োৱাত প্ৰকাশকলৈ' ধন্যবাদ।

২৯/৩/৯৪ ইং

সাবিত্ৰী শইকীয়া

# কবিতাগুচ্ছ

ঢোল বায় ক'ত ১ ॥ পাণ্ডুলিপি ২ ॥ হাতো নেমেলিবি ফুলো নিচিণ্ডিবি ৩ ॥ সংগ্ৰামী বন্ধুলৈ ৪ ॥ কবচ ৫ ॥ বান্ধ' ৬ ॥ পিয়াহ ৭ ॥ স্বাধীনতা ৮ ॥ মাজে মাজে মোৰ এটা অসুখ হয় ৯ ॥ বুনিয়াদ গঢ়াৰ যন্ত্ৰণা ১১ ॥ ইটো কথা অমৃত সমান ১২ ॥ সুৰুযক যি জিনিব পাৰে ১৩ ॥ মন্থন ১৪ ॥ নাৰী ১৫ ॥ তোমালে' ১৭ ॥ হেপাহ ১৮ ॥ সোঁৱৰণ ১৯ ॥ ত্ৰিশংকু বেদনা ২০ ॥ বন্ধকী বেদনা ২১ ॥ ভুৱনেশ্বৰীত ২৩ ॥ অন্বেষা ২৪ ॥ প্ৰাত্যহিক ২৫ ॥ আৱাহন ২৬ ॥ ভাস্কৰ্য ২৭ ॥ অনাত্ম ২৮ ॥ এপিটাফ্ ২৯ ॥ অব্যক্ত ৩০ ॥ শিল্পী সোঁৱৰণ ৩১ ॥ সুভাষ সাহাৰ প্ৰতি ৩২ ॥ নেপথ্য বাৰ্ত্তা ৩৩ ॥ শৰসন্ধান ৩৪ ॥ বিশ্বাস ৩৫ ॥ সুহৃদ ৩৬ ॥ কবিতা ৩৭ ॥ উপকণ্ঠৰ এসন্ধ্যাত ৩৮ ॥ প্ৰেম ৩৯ ॥ সাম্প্ৰতিক ৪০ ॥

# ঢোল বায় ক'ত

ধিনিকি ধিন্দাও দাও ---
জয়ধন ঢুলীয়াৰ ঢোলৰ ছেৰত
পূজাৰ আখৰা

আধাপেটী ভোক আৰু পানী-গামোছাৰ গাঁঠি

একুঁৰি ৰূপ বায়নাত
মৰা ঢোলৰ ছাল আকৌ জীয়ে

ওপৰে উৰুষা চাল
তলে মথাউৰি চিগা পানী

ঢোল আৰু পোনা
লওঁ ক'ত ?

দুৰৈত পূজা,
বিহু আহে
পশ্চিমৰ বায়ুত দামামা বাজে
বেসুৰা সুৰত

জয়ধনৰ ঢোলৰ ছেৰে ছেৰে
জীয়াৰ টল,

ডংকা গাজে মৰিও জীয়াৰ। □

# পাণ্ডুলিপি

ইতিহাস ঃ
হেৰোৱা আৰু পোৱা
মৰা আৰু জীয়া,
কালৰ বেহুত
অভিমন্যু বৰ্ত্তমান

সাওদৰ ডিঙা উজায়

অ' ফুল, নুফুলনো কিয় ?
আকাশত জুই
পথাৰত জুই
বুকুত জুই
জুই হৈ ফুলে ফুল ত'ৰা,

দগ্ধ প্ৰাণত জ্বলে অহৰহ
গধূলিৰ কোলাত আসন্ন দিন
ফুলকোৱঁৰৰ দেশৰ পৰা মানুহৰ দেশলৈ

অ' মানুহ, মানুহ দিয়া। ☐

# হাতো নেমেলিবি ফুলো নিচিঙিবি

হাতো নেমেলিবি, ফুলো নিচিঙিবি. . .
আই মোৰ কিমাননো বিনাবি

শাহটো সামৰি খোলাটি থৈ
ৰাণীমাৰ দোলাত ওলায়,

ভৰি কূটেকূটায়
সোণৰে শিকলি পিন্ধায়

আহঁতৰ তলত ৰাউচি ডুবে
ৰাণীআই চিলনী হৈ

সবৰ মন্ত্ৰনাকক্ষ;

ক'ৰপত্ৰা আহিলি অজাতি কাউৰি
কিহেৰে বোলালি ঠোঁট

কুটুমেৰে কুটুমৰ ভোজ
মজিয়া ভকেভকায়

ৰঙশিঙা কোনে বায়

খংশিঙাৰ বুকুত ৰণশিঙা বজাওঁ
শিকলি ছিঙি শাহটো কাঢ়ো। □

# সংগ্ৰামী বন্ধুলৈ

জীৱন আৰু যুঁজৰ মুখামুখীত
অতীত আৰু বৰ্তমান
সপোন দেখাৰ অভ্যাস হেনো তোমাৰ আছে
কপৌৰ গুঞ্জন;
প্ৰেমৰ শিপাই ছানি ধৰা দেশ মহাদেশৰ গঁজালিত

হে স্বপ্নময়ী সত্যসন্ধ,
জীয়াৰ আখৰাত তোমাৰ আমাৰ প্ৰাত্যহিক
উত্তীৰ্ণ, পৰাজিত
পৰাজিত, উত্তীৰ্ণ
দুচকুত ফেঁহুজালি আদিগন্ত
অনিয়ম ভঙাৰ নিয়ম

ব'ৰাগী ককাই তুমিয়ে কৈছিলা
অনিয়ম মানেই সংগ্ৰাম
সংগ্ৰাম মানেই মুক্তি
নতুন নিয়ম গঢ়াৰ। □

DANDAHA COLLEGE
LIBRARY.

# কবচ

আত্মীয় জীৱনৰ দীঘ-বাণিত গৰকাবন্দী বেদনা
দোৰে পতি আট খায়

অনাত্মীয় ব'ত
অবিশ্ৰান্ত হৃদয় মাকোৰ আঁত হেৰায়

মাৰ বান্ধি ৰয় আশাৰ দোল

কলিজাৰ কৰণিত জুইফুলৰ চানেকি লৈ
হাতৰ মুঠিত সহজ হৈ আহে ৰণুৱা ৰাঁচ

নিশাটোত এনেকৈয়ে কবচ বোৱাৰ স্বপ্ন বিয়পি ৰয় । □

# বান্ধ'

অলং দলং কৰিছে

বাট চ'ৰাৰ মুখতে স্বৰ্গদেওৰে দোলা
আলি কাটি জালি দে

সঁচে পাতি দৰ-ভাও
নিলাম বজাৰত শ্বহীদ

ৰং খেলিবা কিমান ?

চাওদাং সময়

বিদায় লগনত এতিয়া প্ৰাণৰ বন্ধু

কলিজা মুচৰি অনা দুখবোৰ দুখ হৈ ৰয়
প্ৰতিঘাত বিশ্বাসৰ কোঁহে কোঁহে । □

# পিয়াহ

খহি পৰা বিশ্বাসৰ ভেটিত সংশয়ৰ বিভীষিকাৰে ঢাকি ৰখা হয়
সহজ আত্মীয়তাৰ ছিৰাল ফাট

হৃদয় এতিয়া নিস্তৰংগ মমতাৰ দ্বীপ
এক অলিন্দত জীৱনৰ পাল্লা, আন অলিন্দত মৃত্যুৰ পৰোৱানা

প্ৰতিদিন প্ৰতিনিশাই ধাৰ কৰা যাপন
চিগাৰেটৰ ধোঁৱা আৰু ৰণাংগনৰ ছাইৰ কুন্দলীত
ষ্ট্ৰেটেজিক ভাবসাম্য

কিমান কুঁৰা জ্বলাবা পৃথিৱী শ্মশান চিতা?

সঞ্জীৱনী ক্ষুধা সময়ৰ ভ্ৰূণৰ লহপহ
কিবিষণা কলিজাৰ উৰ্বৰতাত। □

# স্বাধীনতা

নিৰ্দয় চিকাৰী হাতত দুকুৰি দুটা ডেউকাভগা পখী
বিদ্ধ আকাশ আৰু অনুপম ৰ'দালিত চপচপায়

ৰু-ৰুৱাই জ্বলে ভিতৰে-বাহিৰে শাহ কৰাৰ আকুল ৰণ

আকোৱালি লবলে' মুকুতিৰ উশাহ
হৃদয় আঁৰ নৰখাকৈ অতৃপ্ত হৈ আগুৱায়
প্ৰেমৰ আহত বেদনাত

আজন্ম সুহৃদ আঘাতৰ অনুপল সৌৰবণ
প্ৰানোপম ৰ'দজাকৰ বুকুলে' পোনাবলে'
কালাতিক্ৰমৰ কাড়পাত। □

# মাজে মাজে মোৰ এটা অসুখ হয়

বহুদিনৰ পৰাই মাজে মাজে মোৰ এটা অসুখ হয়
অসুখটোৰ আৱন্তণী আৰু শেষ মোৰ বাবে সদাপৰিচিত
উজাগৰী প্ৰতিটো প্ৰহৰত চিনাকী হওঁ তাৰ ভাষা আৰু প্ৰকাশভংগীত
যন্ত্ৰণাই পেৰি থকা সৰু হিয়াখনি আকৌ এবাৰলৈ সংকুচিত হৈ যায়,

ধৰফৰায় মগজু ;
কিবা এটা কৰিব পৰা হ'লে
সময়ত নিৰাময়ৰ অনুপান নিজেই তৈয়াৰ কৰো
মানুহৰ বিচিত্ৰ ইতিহাসৰ ব্যৱহাৰিক কোষৰ পৰা,

অৱশেষত পৰাজয়ৰ প্ৰাচুৰ্যই জয়ৰ সামান্যতম সুষমাকো কাঢ়ি লৈ যায়
মই মাথো বৈ যাওঁ অসুখত ভুগি,

অসুখীয়া মই মানুহজনীয়ে পৰম আত্মীয় আৰু বন্ধু-বান্ধৱকো অসুখী কৰো,
(যদিও মই জনাত তেওঁলোকো অসুখী)
আৰু এনেকৈয়ে বিলাই দিয়া অসুখৰ বতৰাত ক্ষনিকলে' সকাহ পাওঁ
এনেকৈয়ে মই আৰু মোৰ পাৰিপাৰ্শ্বিকতা অসুখত ভোগো।

বচ্ ইমানেই !
পুনৰবাৰ ক্ষনিকলে' জীপাল যেন লগা উশাহত ফুলি উঠে বুকু
অসুখটো ভিতৰতে ৰাখি আৰোগ্য মানুহজনী হৈ ওলাই আহোঁ,
শুভাকাংখীৰ প্ৰশ্নৰ প্ৰত্যুত্তৰ দিওঁ
ভালেই !

আত্মহত্যাকামী বন্ধুক কিন্তু এতিয়াও কওঁ
বহু আগতেই আমাৰ অপমৃত্যু ঘটা আৰম্ভ হৈ গৈছে পলপলকৈ
এতিয়া সেয়েহে ক্ষণিক সকাহে কঢ়িয়ায়;
বসন্তৰ প্ৰথমজাক বৰষুণত
গছপাতৰ প্ৰথমটো কুমলীয়া কুঁহিত
কুলিজনীৰ প্ৰথমটো আৱাহনত
কপৌ-কেতেকীৰ প্ৰথমটি সুবাসত
ৰাঙলী কিৰণেৰে প্ৰথমটি পুৱতি পোহৰত
আশাৰ বীজ,
অসুখবোৰ একেবাৰেই নোহোৱা কৰিব পৰা
সামূহিক প্ৰচেষ্টা হোৱা হ'লে! □

# বুনিয়াদ গঢ়াৰ যন্ত্ৰণা

বুকুৰ মাজত এটুকুৰা ঘাঁ ক্ৰমাৎ বাঢ়ি আহিছে
দিন
প্ৰতিদিন
শিৰাই শিৰাই প্ৰৱাহিত তাৰ তেজ-পুঁজেৰে বিষময় সৰ্বদেহ

শৰীৰ চিকিৎসকে প্ৰলেপ দিয়ে,
মনোচিকিৎসকে চিন্তাশূন্যতাৰ আশ্বাস,
অৰ্থচিকিৎসকে আৰু অসংখ্য ঘাঁ সৃষ্টি কৰিব পৰা
দীৰ্ঘম্যাদী ঋণৰ যোগান,
ৰাজনীতিৰ চিকিৎসকে সলনি পৰ্বৰ ভাওঁনাত প্ৰতিশ্ৰুতিৰ মকৰ-ধ্বজ প্ৰদান,
সমাজ চিকিৎসকে দয়া, পুতৌ আৰু ভাবাতীয়া প্ৰেমৰ
পালি পালিকৈ অনুপান,
পৰমাণু চিকিৎসকে অনু-পৰমাণু ভাঙি পৰীক্ষাগাৰত আৰু অগণন ক্ষত সৃষ্টিৰ
জীৱনহাৰিণী মহৌষধ তৈয়াৰ কৰে,
ছটফটাই জীওঁ ;
কোনো মকৰ-ধ্বজ অথবা মহৌষধে এতিয়া আৰু যন্ত্ৰণা উপশম কৰিব নোৱাৰে,
ক্ৰমাৎ পৰিচিত হৈ আহে দুঃখবোধ
মহামাৰীৰ দৰে বিয়পি পৰা ঘাঁ টুকুৰাৰ স্বাভাৱিকতাৰ প্ৰতি সচেতন
পাৰিপাৰ্শ্বিকতা,

ক্ষণিকলৈ অৱস্থিতিক আওঁহেলা কৰিলেও
নিৰ্বাসিত সময়ত অনুভৱ কৰো মুক্তি যন্ত্ৰণা
যি মুক্তি অপমৃত্যু অথবা মৃত্যুৰ প্ৰত্যাহ্বান
ঘাঁৰ অস্তিত্ব বিপন্ন কৰিব পৰা প্ৰচণ্ড আঘাতৰ বুনিয়াদৰ চিন্তাই
বিষ-জ্বালাৰ অনুভৱ সময়লৈ নোহোৱা কৰে
মই বুজিব পাৰো ঘাঁ টুকুৰাৰ সৃষ্টি অৱস্থানতে ধ্বংসৰ বীজ অন্তঃস্থ। □

# ইটো কথা অমৃত সমান

মন গলেই এতিয়া ভাষণ কিনিব পাৰি
ঘৰে-সবাহে, বাটে-ঘাটে, অলিয়ে-গলিয়ে,
চুবুৰীয়ে-চুবুৰীয়ে, প্ৰদেশে-দেশে-মহাদেশে
এতিয়া মাথোন ভাষণৰ বেহা

ৰুচিতকৈও সস্তাদামত কোনে কিমান কিনিবা কোৱা?

শুনিয়োক সৰ্বজন ইটো ভাষণামৃত মহিমা
যিমানেই পান কৰা তিমানেই বাঢ়ি যায় তৃষা
হজম নহলেই বেহাৰ বাজ
বোলো শুনিছনে হঞে মৰিও জীয়াৰ জাত
তহঁতৰ আশু আৰোগ্য টাকুৰী ঘূৰাদি ঘূৰে কথাৰ বেহাত

মুক্তি আৰু তহঁতৰ লেকেটা জীৱন নামৰ কলচপ উশাহ
যদিওবা সুমেৰু কুমেৰু হৈ ৰয়
মাথো চৌদিশে এতিয়া ভাষণ অমৃতৰ ভাণ্ড উজাৰি ৰয়
কৃটিম হৃদযন্ত্ৰ নিগৰি নিগৰি

ইটো কথা অমৃত সমান জানিবা নিশ্চয়
যিটি জীৱনৰ আঁহে আঁহে কালান্তৰ খছকি
হৃদয়ৰ পৰা হৃদয়লৈ বৈ লৈ নিৰৱধি
মাটি আৰু মানুহৰ পৰা মানুহলৈ কুহুমবুলীয়া প্ৰেম-প্ৰেৰণা। □

# সূৰুযক যি জিনিব পাৰে

মৃত্যুঞ্জয়ী বন্ধুৰ মুখত শুনিছিলো
নিজক চিনি পোৱাৰ নগ্ন প্ৰয়াস আত্মপ্ৰকাশ,
সিদিনাই পৃথিৱীৰ চৌহদ গণতন্ত্ৰৰ বাবে মুকলি কৰি দিয়া হ'ল

সত্যৰ হেঁচা-ঠেলাত অপমৃত্যু ঘটিল বহু অকথিত সপোনৰ

জীৱন য'ত সংগ্ৰাম, আহত হয় আকাংখা,
মিছা আশ্বাসতকৈ নিহত সন্তুষ্টিয়ে এতিয়া
পৰম আশ্ৰয় বোলা সহজ

নেপথ্যব সমবেদনাৰে জীৱন যুঁজৰ আখৰা নহয়
এৰেণাত সোমাওঁতে জানিব পাৰি প্ৰতিপক্ষৰ বন্যতা,

আস্থাৰ সাগৰত হৃদয় ধুৱাই যাত্ৰা অবিৰত
মৃত্যু-অপমৃত্যু বিজয়ী সংগ্ৰামী প্ৰত্যয়লে'। ☐

# মন্থন

প্ৰতিটো ৰাতিৰ বুকুত নিশব্দে সাৰ পাই উঠে
প্ৰত্যায়িত জীৱনৰ আধাডুখৰীয়া সপোন

তৃষিত সময় ;

কোন নদীয়ে কৈ যায় সাগৰ হেনো দূৰৈত নহয়
নদীৰ দাঁতিত বৈ শুনিছো মোহনামুখৰ ভাষা

নিশাৰ পিছত নিশাৰ ভীৰে আছন্ন কৰেহি গ্ৰন্থিত স্বপ্ন
চাকনৈয়াৰ বোকোচাত মোহ আৰু মুকুতিৰ সংঘৰ্ষ
সতীৰ্থৰ প্ৰসাৰিত হাত
খোপনিৰ বিচলিত ছন্দত দোলক হৈ দুলি থাকে গতিময় গতি

আইতাৰ মুখত শুনা
'পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰে'ৰ পৰাও বহুদূৰ ভটিয়ালো

ৰিণি ৰিণি শুনো যেন অমৃত মন্থনৰ কোলাহল
জীৱনৰ কালকূট পান কৰা নীলকণ্ঠ আমি
সময়ৰ হলাহলৰ আশংকাত আতুৰ হোৱা নাই এতিয়াও । ☐

# নাৰী

পৃথিৱীৰ আদিম পুৰাৰ বতৰাটি কঢ়িয়াই অনা, ময়েই সেই বাহিকা
যিয়ে নিসিদ্ধ ফলৰ প্ৰথম অভিশাপ বহন কৰি আনিছে জননী-বেদনা
মুকুতিদায়িনী ময়েই মাতা,
যিয়ে গৰভৰ পৰা গৰভলৈ বহন কৰি আহিছে আপোনাৰ তেজ-মঙহেৰে
পিতৃ, ভ্ৰাতৃ, স্বামী, পুত্ৰক
সময়ত যি আপোনাৰেই বৈৰী-ৰূপ
ময়েই সেই প্ৰথম তৃষা
সমস্ত জীৱন-ৰসৰ প্ৰাণগংগা আলফুলকৈ সাঁচি ৰাখিছো আজিলৈ
ধৰিত্ৰীৰ প্ৰথমটো সন্তানৰ পৰা আজিৰ সন্তানটোলৈ, অনাগত আকাংক্ষিতলৈ,
সেই অফুৰন্ত পিয়াহৰ ময়েই আৱাহনী
যি প্ৰেমৰ দৰেই অতৃপ্ত হৈ বয় সৰ্বতিকাল
ময়েই সেই প্ৰথম প্ৰতিদানহীন অমৰ প্ৰেম।

ময়েই মাতৃৰ আলফুল মৰমত বাঢ়ি অহা কন্যা,
যিয়ে মাথো বহন কৰি আনে সন্তানদায়িনীৰ সমস্ত যন্ত্ৰণা-প্ৰেম-প্ৰেৰণা
ময়েই সেই কন্যা
যিয়ে ভ্ৰাতৃৰ বাবে ত্যাগ কৰি আহিছে সময়ত আপোন স্বত্ব, স্নেহ,
সম-অধিকাৰ সন্তানৰ, বহল পৃথিৱীৰ পাঠশালাৰ চৌহদ।
ময়েই সেই অনাকাংক্ষিত,
যি কন্যা জন্মৰ অপযশ বহন কৰিব নোৱাৰা প্ৰথম বলি যৌতুক পূজাৰ
ত্যাগৰ পিছত ত্যাগৰ জ্বলন্ত চিতাতো যাৰ মৃত্যু অপবাজেয় নহয়
সৃষ্টিৰ আধাৰ বংশৰ সন্মান
যি ভূষণ আৰু বাহন, ভূমি আৰু গৃহৰ তুলাচনীত নিতৌ বিক্ৰী হয়,
গৰভৰ উষ্মতাৰ তিলতিলকৈ গঢ়া তিলোত্তমাৰূপী সন্তানৰ দানবী দৃষ্টিত
ওজন সদায়ে হয় য'ত লঘু।

ময়েই অৰ্দ্ধাঙ্গিনী নামক অংগহীন দায়িনীৰ যন্ত্ৰী
ঘাণিত থৈ উশাহ উৎপাদনৰ আহিলাৰূপী মাংসপিণ্ডত যাৰ অস্তিত্ব
মনুস্মৃতিত সতীৰ্থ মহান অতীত ভৱিষ্য বৰ্তমান জুৰি
সমানাধিকাৰ য'ত হয় ঘাতক পৰম্পৰা
আজিও প্ৰান্তৰে প্ৰান্তৰে চিঞৰি উঠো
মাতৃৰ মমতা, পত্নীৰ প্ৰেম আৰু প্ৰেয়সীৰ প্ৰেৰণা
য'ত একাকাৰ হৈ প্ৰতিটো ৰঞ্জিত ক্ষণ উৎসৰ্গিত
সতীৰ্থৰ হাতে হাতে হাত থৱলে'।

ময়েই সেই দয়িতা-গ্ৰহীতাৰ উৰ্দ্ধৰ দেৱোত্তম প্ৰেৰণাৰূপী প্ৰিয়তমা
অন্তৰৰ সমস্ত সৌন্দৰ্যৰে প্ৰেমাকুল হৃদয় ভৰাই সময়ত যি ৰিক্ত হৈ ৰয়
যাৰবাবে প্ৰতিটো ক্ষণ ব্যঞ্জিত প্ৰিয়ৰ অপূৰণ আশাৰ সহসংগ্ৰামী চেতনাত
কলিজা নিঙৰা প্ৰেম-প্ৰেৰণাৰে অন্তৰক সখি কৰিও
অৱশেষত যি জাত-পাত অৰ্থ-ধৰ্মৰ মোহান্ধত অস্পৃশ্য হৈ ৰয়
হৃদয়ৰ লগত হৃদয়ৰ খেলাৰ বেহা দেখিও
প্ৰেয়সীৰ চিৰন্তন প্ৰীতি হিয়াৰ কৰণিত আজিও আঁকোৱালি
প্ৰকৃত সহসংগ্ৰামী প্ৰিয় পথৰ অন্বেষণ।

এনেকৈয়ে পৃথিৱীৰ আদিম পুৰাৰ বতৰাটি কঢ়িয়াই
ময়েই সময়ত মাতৃ, কন্যা, ভগ্নী, পত্নী, প্ৰেয়সী হৈ
সৃষ্টি আৰু হৃদয় সংগ্ৰামৰ পথাৰ চহ কৰো,
কৰ্ষণ কৰো স্নেহ, প্ৰীতি, প্ৰেৰণা আৰু সহযোগ
সংগ্ৰামৰ আনাগত ভৱিষ্যলৈ পৰাজিতা হৈও বহুপ্ৰান্তত, বহুক্ষণত, বহুবাৰ। □

# তোমালে

পৰ্বতৰ প্ৰতিটো ভাঁজৰ দৰে জীৱন কেঁকুৰি ঘূৰি তুমি মোৰ হৃদয় ভুৱনেশ্বৰীত
শান্ত চহৰখনৰ বুকুৰ হিল্লোল মই মোৰ অন্তৰতো অনুভৱ কৰিছো

সেউজীয়া পাৰি দিয়া, ছৈ দিয়া নাওৰে বুটাবছা, বহল বগা চাদৰখন সাবটি
তুমি মোক চহৰখনৰ দৰে সজাইছা

আকাশ আৰু মেঘৰ মোহনামুখৰ শিলটিত বহি
হালিপৰা বেলিৰ ৰঙেৰে সেওঁতা আৰু সমগ্ৰ মুখমণ্ডল ৰাঙলী কৰিছা

মন্দিৰৰ চূড়াটিতকৈ ওখ বৃক্ষ বগাই
তুমি কোঁচ ভৰাই অনা কপৌ মুক্ত কেশত গুজি
গোলাপ, নাৰ্জি, গুলঞ্চ আৰু নাম নজনা বহু ফুলৰ-মালা-গাঁথি
প্ৰেমৰ শৰাইঘাট পাৰ হৈ তোমাৰ হিয়াৰ সৰগম্ শুনিছো

উপপথৰ অন্তত তুমি দিয়া পলস ভৰা চাদৰ
ধুমুহাই উকৰাই নিব নোৱাৰাকৈ দুয়োহাতে আঁকোৱালি ধৰিছো সৰ্বসত্বাত। ☐

# হেঁপাহ

আলফুলে পুহি বোবা আশাবোৰ আকাশীগংগাত হৃদয় ধুৱাই
প্ৰেমৰ উপনিবেশত যাযাবৰী অন্বেষণ, এটি সঠিক ঠিকনা

নৱমল্লিকাৰ পাপৰি ৰামধেনুৰে বগাই
নদী ডঁৰিয়লিত সিঁচি দিছিল তাই নিমগ্নে

সময়ৰ পান্থশালাতো পৰিব্ৰাজক হৃদয়ে শোভাযাত্ৰা কৰিছিল

প্ৰত্যাক্ষিতা হৈছিল
এবাৰ দুবাৰ বহুবাৰ মৰিচীকাৰ মায়াত

মোহনামুখত নৱমল্লিকাৰ আঘ্ৰাণ
অথবা পৰিব্ৰাজক হিয়াৰ বাৰ্তা আঁকুহিবলে'
ভিৰ কৰিছিল অজস্ৰ অসংলগ্ন ঠিকনাই
চিটিকি পৰিছিল চৌদিশে আকাশত কলিজা চৌচিৰ কৰি জৰ্জৰ কজলা আবীৰ

মলয়া পবনে কঢ়িয়ায়
নিগৰি নিগৰি বোৱা আকুঁল হাবিয়াসৰ উষ্ম প্ৰশ্বাস

হৃদয়ত হৃদয় থব' পৰাকৈ প্ৰেমৰ সঠিক ঠিকনাৰ সন্ধানত
আশাৰ ময়ুৰপংখীত বৈ বৈ শুনো ভাটিয়ালী ৰাগ

হাতত মমতাৰ অমৃত ভাণ্ডলৈ
মোহিনীবেশে আহিবনে পৰম সখা
হৃদয়ৰ পদুলি উদুলি-মুদুলি কৰিবলে' তাইৰ

অন্তৰতম নিৰ্মল হেঁপাহ লৈ
নেপথ্যত মই আৰু মোৰ সমব্যাথা। □

# সোঁৱৰণ

কুৰুকি খন্দা তৰালিৰ হৃদয় জীৱাশ্মত সোঁতাল সময় নৈৰ মহীৰে লিখা
কবিতাৰ কবি,
পৰস্পৰে পৰস্পৰৰ ওচৰত স্পষ্টীকৰণৰ সংবাদ বহন কৰিবলে'
সম্বন্ধ টুটি গ'লেও হৃদয়ক ক্ষণিক অপেক্ষা কৰোৱা

কেতেকী হিয়াৰ জীপ লৈ পুনৰজনম তোমাৰ জীৱনৰ অমৃতকুম্ভত
তুমি জীয়াই আছা
হে ধাৰ লৈ জীৱন-যাপন কৰা সংঘাতক্লান্ত কবি
জীৱনৰ যঁুজখনত তুমি দিয়া গোলাপ কলিটি সযতনে হিয়াৰ কৰণিত লৈ
হেঁপাহৰ দীঘ আৰু বিশ্বাসৰ বাণিৰে বোৱা টঙালি হেনো ব-ছেৰা হ'ল

অভিযোগৰ সলনি এৰি অহা অতীতে সন্ধান দিয়া বৰ্তমানত
কোনোদিনেই বিশ্বাসক আঁকোৱালি নললা বাবেই
কবিতাৰে জীৱনৰ অবয়ব স্বপ্নীল কৰিবলে' বিচৰা প্ৰেৰণাৰ কবি
তোমাৰ ঠিকনাৰ পথচাৰী হবলে' হৃদয়ৰ আহ্বান এক কৰিও নুশুনিলো,
তুমি নোকোৱাৰ দৰে তোমাৰ নিৰ্বাক ভৱিষ্যতত মোৰ ঠিকনাও সন্ধানহীন,

সেয়ে, হে মোৰ অতীত প্ৰশ্নলেখ,
এতিয়া পোনাই লোৱা জীৱন লৈ, কোনো জীৱাশ্ম নহৈ
দুঃসময় নৈৰ চাকনৈয়াত কোনোদিনেই হেৰোৱাব নোখোজা
মই মোক যেন হেৰা পালো
বিক্ষত হিয়া আৰু অক্ষত আশাৰ ভটিয়নী সোঁতেৰে
সমুদ্ৰমুখী হৃদয়ৰ স'তে সঞ্জীৱনী কবচ বোৱাৰ আস্থাত । □

# ত্ৰিশংকু বেদনা

পাহৰিব নোৱাৰাকৈ খামুচি ধৰা ত্ৰিশংকু বৰ্ত্তমানত
পৰাণৰ মূল্য বিনিময় হাত-বাগৰি ফুৰে

তুলাচনীত সুখ বিক্ৰী আকীৰ্ণ দুখৰ শাঁহেৰে

ভগ্নবিশ্বাসৰ স'তে দিন প্ৰতিদিন
উজাৰ খায় আন্তৰিকতা জীৱনৰ

পাই নাপাহৰা জৰ্জৰিত অতীত
ভৱিষ্যত মাথো উজাগৰী প্ৰত্যাশ্যা

জীৰ্ণ হৃদয় সাঁকোত গন্তব্যস্থলৰ নিৰ্ণায়ক সূত্ৰ ।

# বন্ধকী বেদনা

আজিকালি প্ৰায়েই অনুভৱ কৰে৷ বন্ধকী বেদনা
লালন কৰো উপজি পুৱাৰে পৰা জীৱন বন্ধকত থৈ উশাহ
বন্ধকী থৈ তেজৰ ৰঙ আৰু শকতি
চৌচিৰ কৰো প্ৰত্যুষৰ স্বপ্ন আৰু ভৱিষ্য
বন্ধকত থৈ অন্তৰতম ভাষা ইজনে সিজনক আলিঙ্গন কৰো
পৃথিৱীৰ যিকোনো প্ৰান্তৰে পৰাণ পৰশা বাতৰিত সমব্যথী হওঁ সময়লে'
(দৈনন্দিন উমাই ৰখাৰ আজিকালি ই এটা বৰ ভাল অনুপান)।

মূৰটো বন্ধকত থৈ মগজুৰ ব্যৱসায় কৰো
নিজকে নিজৰ পৰা এক নিৰাপদ দূৰত্বত ৰাখিবলে, ব্যস্ত প্ৰাত্যহিক

মন্ত্ৰনাকক্ষত এতিয়া মই আৰু মোৰ সতীৰ্থ
সময়ক মুঠিত আনিবলে'
কিন্তু! কালান্তৰৰ ইতিহাস সামৰি আজিলৈ সময়ৰ স্বজনক চিনিছো যিমানলে'
দেখা নাই কাহানিও তাৰেই মাজত
সময়ক শক্তিৰে পৰাভূত কৰিব পৰা অসময় বলিশাল,
আৰু ইয়াতে মই মোক নিৰাপদ দূৰত্বত ৰাখিবলে' অক্ষম

জানিছো যিদৰে মানৱতাক মুমূৰ্ষু কৰা
সংস্কৃতি-সভ্যতা-আৰ্ট অথবা ৰাজনীতি-সমাজনীতিৰ প্ৰশস্তি স্তোত্ৰ
অথবা শপত বাক্যৰ আঁৰৰ কথা
অথবা আকাশে-বতাহে, পৰ্বতে-পাহাৰে, অৰণ্যই-ভৈয়ামে, নৈয়ে-সাগৰে
বৈ থকা টুলুংভুটুং ডিঙৰাৰ বতৰা

বুজিছো পেষণৰ নিতে নৱ ৰূপত পৃথিৱীৰ যিকোনো উপত্যকাৰে
শীৰ্ণ কামিহাড়ৰ মাজত ওলমা জিউটিৰ পৰা প্ৰৱাহিত,
অক্লান্ত বাহুৰ ছন্দে ছন্দে আলোড়িত,
নিৰ্য্যাতিত মানৱৰ চকুৰ মণিৰ অভ্যন্তৰত জ্বলি থকা কালান্তৰৰ জুইকুঁৰা
সূৰুযৰ সতে এক হৈ যোৱাৰ ভাষা

সেই দৃষ্টি অথবা শক্তিৰ বন্ধকী নাইবা বিক্ৰীৰ প্ৰত্যুত্তৰ
সময়ে কঢ়িয়াই আনিছে বহুবাৰ এই পৃথিৱীতে চৰম প্ৰতিশোধেৰে
আপোন সময়ক কূট মন্ত্ৰনাকক্ষত বলি দিয়াৰ উমান পালেই
মই মোক ধৰি ৰাখিব নোৱাৰো
টগ্‌বগাই উতলে বন্ধকী বেদনাত
উশাহ, তেজৰ ৰং আৰু শকতি, অন্তৰতম ভাষা আৰু শিৰ,

মুকুতি-পিয়াসী মই মোক যেন বিচাৰি পাওঁ
সেই নিৰ্য্যাতিত মানৱতাৰ দৃষ্টিত। □

# ভুৱনেশ্বৰীত

ফটোৱা জাৰি কৰা হৈছে চহৰৰ বুকুত নিশৱদে
ভুৱনেশ্বৰীৰে গৈ অযোধ্যাৰ পৰা পেলেস্টাইনৰ আকাশৰ যুঁপকাঠত
ৰক্তাক্ত বেলিৰ মৃত্যুৰ কাৰণ বিচাৰি

নিজৰ ধৰ্মক ভালপোৱা মানে আনৰ ধৰ্মক হিংসা কৰা নহয় বুলি শিকা শিশুটি
কৈশোৰত, উপাসনাৰ মেখেলা উজুৱা পথ পকী কৰা,
নিৰ্দ্দিষ্ট ধৰ্মীয় ভূ-খণ্ড সৃষ্টিত কোৰবানী দিয়া
প্ৰিয়তম মানুহৰ বুকুৰ আৰ্ত্তস্বৰ,

প্ৰতিদ্বন্দ্বী মাৰণাস্ত্ৰই ইজনে সিজনৰ বিশ্বাস ক্ৰমাৎ নিহত কৰি অনাৰ কৌশল,
বৃহৎ পুঁজিৰ ঈগলী হাতোৰাত অন্তহীন স্বচ্ছন্দ বন্দীত্বৰ উথপ্থপ্,

বিশ্বভ্ৰাতৃত্বৰ মোজাইক কৰা শৱদেহত জুখি-মাখি দিয়া খোজেপতি
কৃত্ৰিম কাতৰতাৰ শ্বহীদ তৰ্পণ,

নিৰন্নৰ অন্ন কাঢ়ি ফ্ৰেমত বন্দী কপৌক লৈ কৰা বিশ্ব-ৰঞ্জন যাত্ৰা,
প্ৰস্তাৱ গ্ৰহণ-নাকচ-পুনৰালোচনা-পুনঃপৰিভ্ৰমণ
গণতন্ত্ৰৰ শোভাযাত্ৰাত তাতোকৈ আগবঢ়া যাত্ৰাৰ
অভিযাত্ৰী খোজ দিয়াৰ পৰীক্ষামূলক প্ৰযত্ন দেখি
যৌৱনত সি, বিশ্বাসৰ যুঁপকাঠত বেলিৰ মৃত্যুৰ কাৰণ বিচাৰি পালে,

তিনিশ একত্ৰিশ মহীয়া গ্ৰহণ ভাগি উদিত মেঘেলাৰ আৱাহনীত,
অথবা—
নৰকাসুৰে কুকুৰা কাটিও ৰুধিব নোৱাৰা দোকমোকালিত
প্ৰোজ্বল কুকুৰাকটাৰ পৰাই সন্ধান পালে জীয়াই ৰখাৰ
স্বাধীনতাৰ ৰক্তক্ষৰা মহাৰণ
অথবা, ভুৱনেশ্বৰীৰে গৈ অযোধ্যাৰ প্ৰতি চপৰা মাটি-শিল-কাৰুশিল্প আৰু
নিশ্বাসত চিৰসেউজ বৃক্ষৰ আঁৰৰ অশ্ৰান্ত ৰণুৱাৰ
শ্বাশ্বত প্ৰেৰণাৰ সাহসী স্ব-বিশ্বাসী শ্বাস,
সেই বনুৱাৰ মাজলে' যি প্ৰতিজ্ঞা কৰিব পাৰে
ৰাজতন্ত্ৰ অথবা ধৰ্মতন্ত্ৰৰ হোলী উদ্‌যাপন নকৰি,
প্ৰতিবাদ কৰিব পাৰে, সংগ্ৰাম কৰিব পাৰে প্ৰতিৰোধী হৈ। □

# অন্বেষা

তোমাৰ হৃদ-সংবাদ বহন কৰিবলৈ’ উন্মুখ মোৰ বুকুৰ পাঁজৰত
আত্মীয়তা অন্বেষী শোভাযাত্ৰাৰ বব নোৱাৰা কঠিন শ্বাসটো
দুঃসহ সময়ৰ স’তে পলপলকৈ নিমগন

বৈ যায় অনাত্মীয়তা,
সখীত্বৰ দিগবলয় চুমি গৈ থাকে মানুহলৈ’ আপোন যাত্ৰা
প্ৰতিদ্বন্দী শক্তিৰে হৃদয় জিনাৰ অবিৰত ‘দোজখ’ প্ৰযত্নত
অৱগুন্ঠিত মানৱতা

একবিংশ শতিকাৰ মহাকাব্যত একোটিহঁত ভাসমান চৰিত্ৰৰ
সযত্ন আত্মীয়তাৰ অভিনয়ে জীৱন সাৰাটি জীয়াই থকাৰ
অনন্ত অৰ্ন্তজ্বলী যাত্ৰা, বিৰামহীন অপ্ৰাণময়তা

পৃথিৱীৰ এই অশ্ৰান্ত পৰিভ্ৰমণত
আত্মীয়তাৰ স্পন্দন লৈ জীৱন গ্ৰহণ, পাত কৰা
হে মোৰ অগ্ৰজ-অনুজ-অনাগত আৰু সহ-সংঘাতময় হৃদয়,
তোমালোকৰ হৃদ-সংবাদ গ্ৰহণ কৰি কঢ়িয়াইছো অহৰহ প্ৰান্তে প্ৰান্তে
মানুহৰ প্ৰাণময় বাৰ্তা

যাতনাৰ মন্থনত জীৱনৰ অমৃতকুম্ভ ! □

DAMDAMA COLLEGE. LIBRARY.

# প্ৰাত্যহিক

পাহাৰটোৰ কেঁকুৰিত খোদিত সেন্দুৰী শিলত অহৰহ ভঙনীয়াৰ নৃত্য
আহত নিহতৰ বিক্ষিপ্ত অংগৰ কঠিন জ্যামিতিক শিল্প
কেঁচা তেজ-মঙহ ৰঙত ডুবা, বৰ্ণৰ বিসদৃশ ফৰ্ম

মূল্যবৃদ্ধিৰ প্ৰতিবাদত সোচ্চাৰ
নিম্নমূল্যৰ নাগৰিকৰ শিলান্যাসৰ পুঁজীত নামভৰ্তি

পৃথিৱীৰ পাঠশালাৰ স'তে পৰিভ্ৰমণ কৰি
অধ্যাপকৰ হাত আৰু কিলাকুটিত চকৰ চেকা
ছাত্ৰৰ বহীত হুমুনিয়াহৰ নুশুকুৰা চিয়াহী

পটাপছোৱা পানীৰ ৰঙত আত্মীয়ৰ হৃদয় ক্ষয়ৰ অৱশেষ
সেমেকা গোৰোৱা গোন্ধ,

টেলিভিছনৰ সমুখত, চাৰিআলিৰ আড্ডাত, কেন্টিনত, কমনৰুমত,
চলন্ত গাড়ীত, উৎসৱত, পাৰ্টি অফিচত
শামুক, কেটেলাপহুৰ মস্তিষ্কৰ কচৰৎ

সময়ৰ এই অশ্বত্থমা শক্তিশেল বোধি কৃষ্ণ হ'ব নোৱাৰি
দোঁ খাই পৰা ভৰুণ ধানৰ ঠোকৰ দৰে আসন্ন প্ৰসৱা পত্নীৰ
বুকুৰ মন্দাকিনী পানৰ ব্যাকুল বংশধৰৰ অনিশ্চয়তা আৰু ধ্বংসকামনাৰে
পিতৃত্ব অথবা নিৰাপত্তাৰক্ষীৰ ভূমিকাও লালন কৰা হয়

এনেকৈয়ে আমি নিজকে জীয়াই ৰাখো। ☐

# আৱাহন

তোমাৰ নিশ্বাসত জী উঠাৰ দিনা হেৰা পালো মোৰ এলিফেন্টা শৈশৱ
ফুল তৰা গানৰ স'তে আকাশৰ কোলাত মেঘ খেদি লুকাভাকু পুৱা

মানসেৰে ভটিয়াই লুইত পোৱাৰ যৌৱন দুপৰত
মাজুলিত ঘৰ পাতি সেউজ ৰোৱাব দিনা
বিচাৰি পালো হৃদ-সংবাদ কুটুমৰ তেজেৰে ন-খোৱা

জীৱনৰ স'তে ঘনিষ্ঠ হোৱাৰ দিনা শংকিত
নিহত উশাহত বংশধৰৰ ভৱিষ্য লেখি
ফুল তৰা গান য'ত সোঁৱৰণী আৰু প্ৰেতপুৰীৰ অতীত আৰু প্ৰেত হৈ ফুলে

খাটি জীয়াই ৰাখিব খোজা জীৱন
মৰণৰ মহাযজ্ঞত আহুত শিৰ বন্ধকীৰ দিনা

হে মোৰ সঞ্জীৱন,
মহাসাগৰলৈ ভটিয়নিৰ দিনা মুকলি কৰা তোমাৰ উশাহত। ☐

# ভাস্কৰ্য

সপোন দিঠকে খেদি ফুৰা এয়ুৰী দাপোনত স্বচ্ছ
জীৱনৰ স্পৰ্শাতীত বিমূৰ্ত্ত অবিনাশী ভাস্কৰ্য

আপোন সময়ৰ অগ্ন্যুৎপাতৰ পোহৰত চুই যাওঁ তাৰ অবয়ৱ,
অবাঙ্ময় হৃদয়, অপ্ৰকাশ ভাষা,

শিল্পীৰ হাতত অৱশিষ্ট বৰ্ণৰ কোলাজ
অথবা সদ্যবিৱাহিতাৰ তৰ্জনিত অৱশেষ সেন্দুৰৰ

শিক্ষকৰ আঙুলিত অস্থিৰ গোলকটিৰ সেউজীয়া নীলাত
মলয়াৰ স'তে মিতিৰালি পতা আঘোণৰ ভৰপক হালধীয়াত
অসন্তুষ্ট জীৱন গ্ৰহণ আৰু পাত কৰি প্ৰতিনিয়ত হেৰা পাওঁ নিজক

হৃদয়ৰ বসন্তোৎসৱত জীয়াবলে' জীৱনৰ গায়ত্ৰীমন্ত্ৰ, সূৰ্যমন্দিৰৰ নৃত্যাঙ্গনা
উজাগৰী সপোনত প্ৰতিকৃতিৰ খোৰোং আজুৰি প্ৰতিঘাতী জীৱনৰ উশাহ গোটাওঁ

জীৱনৰ কি অসহজ যন্ত্ৰণা ঃ ৰূপ বৰ্ণ গন্ধ মূৰ্ত্ত উশাহো কঠিন । ☐

# অনাত্ম

সখীত্বৰ নেপথ্যত অপহৰণকাৰী সময়ৰ স'তে যুঁজি
হৃদয়ৰ মুক্তিপত্ৰৰ বিনিময়ত প্ৰেমক আকাঙ্ক্ষা কৰো

নিজেই নিজৰ স'তে ষড়যন্ত্ৰ ৰচো, সৰ্বস্ব লুট কৰো, হত্যা কৰো নিজকে,
দহৰ বাবে শ্বহীদ ঘোষণা কৰি তিথি তৰ্পণ কৰো

জীৱনৰ প্ৰতি অনাত্মীয়তা লৈ ভৱিষ্যতৰ সপোন লেখো

সন্দেহৰ বোকোচাত আপোনজনৰ শৱচ্ছেদ কৰি
আপদত শ্ৰদ্ধাঞ্জলীৰ বাতৰি আকাশে-বতাহে প্ৰেৰণ কৰো

শোভাযাত্ৰাৰ শেষৰজনত নিজকে আপোন কৰি
গাত সম্বৰ্দ্ধনাৰ চূণ সানি মুখেৰে মুণ্ডপাত কৰো অপ্ৰিয় নেতাক

আপোনাত আপোনাক এনেদৰে গোপন কৰাওঁ। □

# এপিটাফ্

পথাৰখন শুই থকা নিজান দুপৰটোত
পাতবোৰৰ বা ত জিৰণি লোৱা গছৰ তলত বিহুৱা ঢোলৰ আখৰা

সৰু সৰু মাছৰ স'তে সাতুঁৰি পুখুৰীটোৱে পকাগমৰ পেপাৰ মাতত জিৰাইছে

খাজুৰাহো দেহৰ শ্ৰান্তিত পাহাৰটো নৈখনৰ সোঁতত উম উন্মনা

আৰণ্যক কাকলিত মাতাল ঋতুফুলৰ সেন্দূৰী আলিৰে
মন-মঞ্জুষাত উদ্বেল মলয়াত বিহুৱতী দেও দি

অধিত্যকাৰ যান্ত্ৰিক সৰৱতা আৰু অপ্ৰেম জীৱনৰ অগস্ত্য যাত্ৰাত
জীৱনৰ স'তে চিনাকী ঋতুৰ গাওঁ
উদুলি-মুদুলি আবৰী হিয়াৰ পদুলিয়েদি
দুস্ত্যজ অনুদিন লহমাৰ মহঙা প্ৰেৰণাৰ এপিটাফ্ । □

# অব্যক্ত

ক'ব খুজিলেই সুলকি পৰে জিভা

নিজৰ স'তে সংঘৰ্ষত
প্ৰতিদিন আহত মতলীয়া মন

ভগ্নস্তূপত এতিয়াও মই

জিভাখন হৃদয়ত থৈ উনাওঁ
প্ৰিয়তম ক্ষণৰ অস্ফুট আহ্বান। □

# শিল্পী সোঁৱৰণ

জ্যোতিৰ প্ৰপাতত হেলান দি
গা-মূৰ টঙাবলে' আকলুৱা
ষোড়শোপচাৰ বন্দী প্ৰতি প্ৰহৰ

সেমেকা চোতালত ৰ'দ খেদি খেদি
হৃদয় কোনোদিন ওলাবগে' পৰা নাই
পথ আৰু পথাৰ

ঘূৰ্মুটিয়াই ফুৰে স্মৃতি তৰ্পণ
জীৱন্ত কবৰত

ৰ'দালি এ ৰ'দ দে, ৰ'দ দে। ☐

# সুভাষ সাহাৰ প্ৰতি

মুকলি খিৰিকিৰে আকাশ আৰু পৃথিৱী চোৱাৰ বতৰত
দেখিছিলো ধূসৰিত সময়ৰ স'তে তোমাৰ অতীত আৰু বৰ্ত্তমানক.

পাৰ হৈ গহন অৰন্য, মহানগৰ আৰু মানুহৰ স'তে
বিপ্লৱৰ যাত্ৰা অথবা সাহিত্যৰ মেলাত
নেহেৰোৱা সংগ্ৰামমুখী জীৱন আৰু মৰণৰ মোহনাত
হেৰা পাইছিলো তোমাক,

কোলাকুলিত ঘাঁম আৰু শোণিতৰ শ্বাস লৈ
উত্তাপিত অনন্ত শীতৰ মেঁজিৰ জুইকুঁৰাত সেমেকা হৃদয় সেকি
মৰণেও পাহৰা হে সৈনিক, যাত্ৰীৰ প্ৰণিপাত তোমালে' ☐

# নেপথ্য বাৰ্ত্তা

ৰিং মাৰিলেই উভটি আহে বুকুলৈ
উকা আঁচলত লুকাভাকু নৰাময় পথাৰ

চেনেহ লঠঙা ওপঙা প্ৰতিশ্ৰুতি জীণ নিয়াবলে'
বুকুৰ বান্ধৈৰ আন্তৰিক আবেদন অৰঙে-দৰঙে ভটিয়ায়

নেপথ্যত অকাল বসন্ত ফুলোৱাৰ সবল প্ৰস্তুতি
এতিয়া বাটে ঘাটে ওলমি ৰয়

হেঙুল বেলিয়ে লাজতে মুখ লুকুৱায়। □

# শৰসন্ধান

অবিশ্বাসৰ জলাশয়ত বিভোল নাৰ্ছিচাচ অহংকাৰৰ স'তে যুঁজি বন্ধুত্ব ;
চান্দোৰ' নিৰন্ধ্ৰ বিশ্বাসৰ মেৰঘৰত ছিদ্ৰ সন্ধানৰ সন্ধানী

ষড়যন্ত্ৰৰ সপ্তৰেহত বন্দী অভিমন্যু বিশ্বাস প্ৰতিনিয়ত জৰ্জৰ
আত্মবিশ্বাসৰ গিৰিখাতেৰে বিশ্বাস-অবিশ্বাসৰ মেটমৰা ভাৰ লৈ
প্ৰতিটো খোপনিৰ আলিংগনত পৃথিৱীৰ বুকুত শুনো
বহু ৰণুৱা খোজৰ ঐক্যতান
যিদৰে প্ৰতিটো ঢপঢপনিত প্ৰেম-অপ্ৰেমৰ
প্ৰশান্ত-অশ্ৰান্ত উপলব্ধি

নিজৰ ওচৰত সঁজাতি পঠিয়ায় নিজকে
বিশ্বাস আৰু প্ৰেমৰ একলব্য শৰসন্ধানেৰে
নিষিদ্ধ বন্ধুত্বৰ উপত্যকাত হেৰা পাওঁ । □

# বিশ্বাস

সংশয়ৰ নৰক যন্ত্ৰণাত দেই যোৱা হৃদয়
আহত বিশ্বাসৰ স'তে যুঁজি
পৰিবৰ্তিত যাত্ৰাপথৰ সহযাত্ৰী

গলিত অন্ধবিশ্বাসৰ স'তে পাৰ কৰি
জীৱনৰ প্ৰাক-অধ্যায়ৰ দূৰৈত
যৌৱনৰ প্ৰতি প্ৰভাতত উন্মেষ
মানুহৰ কালাতীত বিশ্বাসৰ প্ৰতিদিন

মমতাৰ সাগৰ হৃদয় আৰু বিশ্বাসৰ আলিংগনত
অনাগত জোৱাৰ-ভাটাৰ নীৰৱ-সৰৱ প্ৰতিধ্বনি শুনি
বিধ্বস্ততাৰ সম্ভাব্য-সংস্কাৰ সৰ্বস্ব হোৱা নাই

বিশ্বাস আস্থা হোৱা মানুহৰ যাত্ৰাপথৰ সহযাত্ৰী হিয়াত
আপোনজন হৈ সহপথিকৰ অন্তৰৰ মুকলি পথে
অনায়াস প্ৰৱেশৰ সৰ্বাত্মক অনুভৱ। □

# সুহৃদ

অণ্ঠা বুলীয়া এচেৰেঙা ৰ'দ
চকুৰ মণিৰ ভিতৰত খপজপায়

জুইফুল হৈ ফুলে ভাৰসা

সংঘাতৰ উষ্ম আলিঙ্গনত
কাইলৈৰ সুহৃদ

হৃদয়ে হৃদয়ে প্ৰতিবাদী সখা
কাংখিত স্বকালৰ পথে। ☐

# কবিতা

অঘৰী ইচ্ছাৰ দেওঘৰত গিয়াতীৰ অশৌচীয়া দীঘল ৰাতি
বিষাদৰ নিঃসঙ্গ বাটচ'ৰাই সোঁৱৰণীৰ পদধূলি লেখি
দাপোন আজুৰি জীৱন দুপৰত গণনাৰ আউল

বিবোধিতা নকৰাকৈ পাপ কৰাহেঁতেন
নিষিদ্ধ অনুপলত অনুশোচনাৰ দহন অথবা অপমৃত্যুৰ তাড়নাত
মৰুদ্যানক ধিয়াই মৰুভূমিৰ খোজত পোনোৱা
মৰিশালিৰ পৰা উভটাৰ পথত সাগৰক লগ নোপোৱা জীৱন

হেৰা নাপালো হয় জোনটো জোৰ হৈ
জীৱন ৰাতিৰ সেউজ উপত্যকাৰ নৈখনিত
মিলি যোৱা প্ৰেমৰ পাণ্ডুলিপি। □

# উপকণ্ঠৰ এসন্ধ্যাত

সখীয়তী পখীৰে কৃষ্ণ বিনোৱা পাহাৰটোত অৱগুন্ঠিত দিন
ৰাধাবলীয়া মঞ্জীৰৰ জুনুক্ পৰিকল্পিত গালিচাত
নিকুঞ্জ চিৰবসন্ত হৈ নাচে

'গেনালগা' পথৰ অন্তত এটোম মৌসৰা নিৰ্মালিৰ নোৱণিত
হৃদয় তোমাৰ স'তে প্ৰেমৰ টঙিত ৰখিবলে'
ব-ছেৰা বৈতালিকৰ জলছবিত বিভোল নহয়

সিক্ত চুলিৰ ভাঁজত তোমাৰ ওঁঠৰ পৰশসনা সন্ধ্যা
প্ৰিয় গায়কৰ গীতৰ দৰে অৰ্থবহ মূৰ্চ্ছনাৰে ভৰি পৰে

ক'লাসোণ হৈ নমা আন্ধাৰত
জাঁকি মাৰি জীয়া বাঁহীৰ হাঁহিৰ মজাঠি পাণ্ডুলিপি। ☐

## প্ৰেম

'ঝুলা'ৰ সেউজ গংগাত বিম্বিত প্ৰেম
উজায় হিমগিৰিত আকৃতি

আকীৰ্ণ অনুভৱ তাজমহল
শীৰ্ণ যমুনাৰ জাঁজীত অতৃপ্ত

সৰস্বতী পৰিব্ৰাজিকা ত্ৰিবেনীত হেৰা পাওঁ
তি-লাওৰ বুকুৰে ভটিয়ায়

সাগৰ হৈ তুমি মাতিছা 'দীঘা'ৰ হিয়াত
যিদৰে জোৱাৰ হৈ আৰব তীৰত

প্ৰেমত বৰাগী আকাশে সাগৰক লগ পোৱাৰ দিনা
ঢৌ আৰু ফেনৰ স'তে নাদুৰি ঘনিষ্ঠ হোৱাৰ নিশাত
বৰষাক অবতৰতে মাতি দোকোলতকা হৈ ঢপলিয়াওঁ তোমালে'। □

# সাম্প্ৰতিক

এতিয়া আমি পৰস্পৰক বাক-বিনিময় কৰো শানিত চুৰি অথবা কাৰ্টিজেৰে
ইজনে সিজনক আঁকোৱালি লওঁ বুকুত সূচীভেদ্য বৰ্ম সাৰটি
দুচকুৰ গভীৰত ষড়যন্ত্ৰৰ প্ৰতিবিম্ব ঢাকিবলে' শিশুৰ দৰে হাঁহো
মগজুত অভিনৱ ধ্বংসৰ বীজ সিঁচি বন্ধুৰ দুহাত জোকাৰো
নিহতৰ মহাযজ্ঞত বলি বিচৰা কদ্‌মত ভৰি
জিৰণি লয় পাৰ্বনত জেষ্ঠৰ আশীষ আকাংখি

কামনাৰ দাবানলত জ্বলে জন্মদাত্ৰীৰ ঘৰ

জীৱিতৰ ৰস-পানত ইথিওপিয়া ক্ষুধাই মৰণ-সভাত মাল্যাৰ্পণ কৰে

কেতিয়াবা দুহাত জোৰ কৰি, আকাশলৈ' মেলি, বুকুত আঁকি
ত্ৰিকাল উদ্ধাৰক হে ইজনে সিজনৰ তেজ পি ধৰ্মসভা পাতো

অন্তৰত বিশ্বাস থাপি, বোছনিয়া বেদনাকো সামৰো

বন্ধকী মূৰটো এইবেলিও মোকলাব নোৱাৰা দুখাদ্ৰ অনুভৱ
প্ৰত্যংগৰ দামতকে' নিম্নমূল্য মানুহ। □